# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-11-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

**------------------**

**:::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বঙাইগাঁও জিলাৰ অভয়াপুৰীত মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৯৪৯ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। অভয়াপুৰীৰ অভয়েশ্বৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ড০ শৰ্মাই তেওঁৰ চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছে বুলি মন্তব্য কৰে। বৰ্তমান ৰাজ্যখনৰ মহিলাসকল আত্মনিৰ্ভৰশীল হোৱাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অৰুণোদয় আঁচনিৰ জৰিয়তে মহিলাসকলৰ আত্মসন্মান বৃদ্ধি পাইছে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে বিদ্যালয়খনৰ প্ৰাঙ্গনত ৰাণী অভয়েশ্বৰীৰ এটি প্ৰতিমূৰ্তিও উন্মোচন কৰে। উল্লেখযোগ্য যে বিজনীৰ ৰাজপৰিয়ালৰ এগৰাকী প্ৰজাপ্ৰিয় ৰাণী অভয়েশ্বৰী দেৱীয়ে জনসাধাৰণৰ কল্যাণৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছিল। এইগৰাকী ৰাজমাতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পোৱাটো পৰম সৌভাগ্যৰ কথা বুলি ড০ শৰ্মাই উল্লেখ কৰে।

০০০০

হোজাই বিহুতলী ৰাজহুৱা খেলপথাৰত ভাৰতীয় জনতা পাৰ্টীৰ আজি বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কদ্বয় ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰকে ধৰি দলৰ কেইবাজনো জ্যেষ্ঠ নেতা সভাত উপস্থিত থাকে। সমাগত বিধানসভা নিৰ্বাচনত বিজেপি দলে ১২৬ খন আসনতে প্ৰতিদ্বন্দিতা কৰিব আৰু মিত্ৰদলৰ লগত আলোচনা কৰি কোন সমষ্টিত কাক প্ৰাৰ্থী হিচাপে নিক্ষেপ কৰিব তাৰ সিদ্ধান্ত লব বুলি দলৰ সভাপতি দিলীপ শইকীয়াই জানিবলৈ দিয়ে।

বাইট ঃ দিলীপ শইকীয়া

০০০০

অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত দিছপুৰৰ লোকসেৱা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত এই আলোচনা অনুষ্ঠিত হ'ব।

ইপিনে, অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কালি এই সন্দৰ্ভত জনতাভৱনৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ উচ্চ পদস্থ বিষয়াসমূহৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ সৈতে জড়িত বিভিন্ন বিষয় আৰু বিভাগীয় অন্যান্য গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত পৰ্যালোচনা কৰা হয়।

০০০০

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ মৰিগাওঁ জিলা সমিতিৰ উদ্যোগত আজি মৰিগাওঁ শিক্ষণ মহাবিদ্যালয়ত এখন জিলা ভিত্তিক বিজ্ঞান প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ অধ্যক্ষ বিশিষ্ট বিজ্ঞানী ড° বিমান বৰুৱাই প্ৰতিযোগিতাখন উদ্বোধন কৰি কয়, যে ছাত্ৰ-ছাত্ৰীৰ মাজত কৃত্ৰিম বুদ্ধিমত্তা ৰ'ব'টিক শিক্ষাৰ ওপৰত

গুৰুত্ব দিয়া প্ৰয়োজন। অনুষ্ঠানত ড° বৰুৱাই কেন্দ্ৰৰ বাৰ্ষিক পত্ৰিকা এখনো উন্মোচন কৰে। প্ৰতিযোগিতাখনত বিজ্ঞানৰ বিভিন্ন আৰ্হি প্ৰদৰ্শন কৰা হয়।

০০০০

দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি আজি পৰিবেশ নিকাকৰণ, পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি নিবেদন আদিৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিদ্যালয়খন প্ৰতিষ্ঠাৰ ৭৫ বছৰৰ সৈতে সংগতি ৰাখি আজি ৭৫খন পতাকাও উত্তোলন কৰা হয়।

০০০০

সাম্প্ৰতিক সময়ত মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা পৰীক্ষাৰ্থীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰাত অন্তৰায়ৰ সৃষ্টি হৈছে নেকি? বৰ্তমান সময়ত ৰাজ্যৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ কেনে? এনে কেইবাটাও প্ৰশ্নৰ উত্তৰ বিচাৰি বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিব এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান। এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য আনিছ-উজ জামান, অধিবক্তা তথা সমাজকৰ্মী কৈলাশ চন্দ্ৰ শৰ্মা আৰু জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ ১০ কিলোৱাট শক্তিসম্পন্ন এফ এম ট্ৰান্সমিটাৰটোৰ জৰুৰী মেৰামতিৰ বাবে সাময়িকভাৱে ইয়াৰ প্ৰচাৰণ বন্ধ ৰখা হৈছে। বিকল্প ব্যৱস্থা হিচাপে বৰ্তমান এশ ৱাট শক্তিসম্পন্ন আন এটা ট্ৰান্সমিটাৰৰ পৰা এফ এম ম'ডত অনুষ্ঠান সূচী প্ৰচাৰ কৰি থকা হৈছে। গুৱাহাটীৰ নৰকাসুৰ পাহাৰত থকা আকাশবাণী আৰু গুৱাহাটীৰ আটাইকেইটা ব্যক্তিগত এফ এম ট্ৰান্সমিটাৰৰ এণ্টেনা উন্নীতকৰণৰ বাবে অহা ২৪ নৱেম্বৰৰ পৰা ২৭ নৱেম্বৰলৈ মাজনিশা ১২ বজাৰ পৰা পুৱা ৬ বজালৈ প্ৰচাৰণ বন্ধ কৰা হ'ব। ২৮ নৱেম্বৰৰ পৰা গুৱাহাটী আৰু ইয়াৰ ওচৰ-পাজৰৰ শ্ৰোতাসকলে সকলো এফ এম কেন্দ্ৰৰ অনুষ্ঠানসমূহ এতিয়াতকৈ অধিক শক্তিশালী ৰূপত শুনিব পাৰিব বুলি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধানে জনাইছে।

০০০০

গুৱাহাটীত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাই ৬ টা উইকেটৰ বিনিময়ত ২৪৭ ৰাণ সংগ্ৰহ কৰি খেলি আছে। আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিছে।

আজিৰ ক্ৰিকেট টেষ্ট মেচ খনৰ বাবে গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসৰি বৰ্ষাপাৰাৰ সমীপৰ পথত বাণিজ্যিক বাহনৰ চলাচলত বাধা আৰোপ কৰা হৈছে। বি কে কাকতি পথ, এ কে আজাদ পথ, কুল বসুমতাৰী পথ, ভূপেন হাজৰিকা পথ, মৰা ভৰলু পথ, বিৰুবাৰী পথ, পণ্ডিত দীনদয়াল উপাধ্যায় পথ আৰু আৰ কে চি পথত আজি বাণিজ্যিক বাহনৰ চলাচল বন্ধ আছে। একেদৰে লালগণেশ পথ আৰু কুল বসুমতাৰী পথো ৱান ৱে কৰা হৈছে। অৱশ্যে জৰুৰীকালীন সেৱা, স্থানীয় লোক, বিদ্যালয় বাহনৰ চলাচলত বাধা নাথাকিব।

০০০০

সমাপ্ত